समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



দশম শ্ৰেণীৰ বাবে

বিজ্ঞান

অধ্যায়-১৬

প্ৰাকৃতিক সম্পদৰ ব্যৱস্থাপনা

অংশ –১
সম্পদৰ ব্যৱস্থাপনা

জাহ্নৱী দাস

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰাকৃতিক সম্পদ



- প্ৰাকৃতিক সম্পদ হ'ল প্ৰকৃতিত উপস্থিত থকা মৌলিক পদাৰ্থ যিবোৰ জীৱিত জীৱই নিজৰ অস্তিত্ব ৰক্ষাৰ বাবে ব্যৱহাৰ কৰি আছে।
- উদাহৰণ : পানী, মাটি, বনাঞ্চল, বন্যপ্ৰাণী, কয়লা, পেট্ৰলিয়াম ইত্যাদি।

समग्र शिक्षा
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

প্ৰাকৃতিক সম্পদৰ অতিমাত্ৰা শোষণ মানুহে তলত উল্লেখ কৰা কাৰণত কৰে —

(i) নিত্য বৃদ্ধি পোৱা মানৰ জনসংখ্যাৰ দাবী পূৰণ কৰা।

(ii) বৃহৎ পৰিসৰৰ ঔদ্যোগীকৰণ আৰু নগৰায়ন।

(iii) অট্টালিকা আৰু হাউছিং কমপ্লেক্স আদি নির্মাণ।

সমগ্র শিক্ষা
Samagra Shiksha
সমগ্র শিক্ষা

Under CSR Support by
ipca | Foundation

আমি আমাৰ প্ৰাকৃতিক সম্পদসমূহ কিয় সংৰক্ষণ কৰিব লাগে —

- পৃথিৱীৰ সম্পদ সীমিত।
- মানৱ জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি পোৱাৰ বাবে সম্পদৰ চাহিদা দিনক দিনে বৃদ্ধি পাইছে।
- সঠিক ব্যৱস্থাপনাই প্ৰাকৃতিক সম্পদসমূহক বিবেচনাপূৰ্ণভাৱে ব্যৱহাৰ কৰাটো নিশ্চিত কৰিব পাৰে, যাতে ই বৰ্তমানৰ প্ৰজন্মৰ প্ৰয়োজনীয়তা পূৰণ কৰে আৰু লগতে আগন্তুক প্ৰজন্মৰ বাবেও স্থায়ী হয়।



- প্ৰাকৃতিক সম্পদৰ সঠিক ব্যৱস্থাপনাই দীৰ্ঘম্যাদী দৃষ্টিভংগী বিবেচনা কৰে আৰু হ্ৰস্বম্যাদী লাভৰ বাবে ইয়াৰ শোষণত বাধা দিয়ে।
- সঠিক ব্যৱস্থাপনাই প্ৰাকৃতিক সম্পদৰ ন্যায্য বিতৰণ নিশ্চিত কৰিব পাৰে যাতে এই সম্পদসমূহৰ উন্নয়নৰ পৰা সকলো জনসাধাৰণে উপকৃত হ'ব পাৰে।

☛ সঠিক ব্যৱস্থাপনাই প্ৰাকৃতিক সম্পদৰ ‘নিষ্কাশন’ বা ‘ব্যৱহাৰ’ৰ সময়ত পৰিৱেশৰ ক্ষতিৰ কথা বিবেচনা কৰি এই ক্ষতি কম কৰাৰ উপায় বিচাৰি উলিয়াই।



বহনক্ষম ব্যৱস্থাপনা

- ভৱিষ্যত প্ৰজন্মৰ বাবে উপলব্ধ কৰিবলৈ সম্পদসমূহ বুদ্ধিমানৰূপে পৰিচালনা কৰা।
- সম্পদৰ বিবেচনাপূৰ্ণ ব্যৱহাৰে অপচয় ৰোধ কৰিব আৰু আমাৰ প্ৰাকৃতিক সম্পদ সংৰক্ষণ কৰিব।

- পৰিচালনা সমিতিয়ে সম্পদৰ ন্যায্য বিতৰণ সুনিশ্চিত কৰিব লাগে যাতে এই সম্পদসমূহৰ উন্নয়নৰ দ্বাৰা ধনী-দৰিদ্ৰ সকলোৱে উপকৃত হয়।
- বহনক্ষম উন্নয়নৰ ধাৰণাটোৱে বৰ্তমানৰ মানৱীয় মৌলিক প্ৰয়োজনীয়তা পূৰণ কৰা বৃদ্ধিৰ ৰূপসমূহক উৎসাহিত কৰে, একে সময়তে ভৱিষ্যত প্ৰজন্মৰ প্ৰয়োজনীয়তাৰ বাবে সম্পদসমূহ সংৰক্ষণ কৰে।

- এইদৰে বহনক্ষম উন্নয়নৰ অর্থ হৈছে জীৱনৰ সকলো দিশতে পৰিৱর্তন।
- ই নির্ভৰ কৰে জনসাধাৰণৰ নিজৰ চৌপাশৰ আর্থ-সামাজিক আৰু পৰিৱেশগত পৰিস্থিতিৰ প্ৰতি থকা ধাৰণা সলনি কৰাৰ ইচ্ছা, আৰু প্ৰতিজন ব্যক্তিয়ে প্ৰাকৃতিক সম্পদৰ বর্তমানৰ ব্যৱহাৰ সলনি কৰিবলৈ সাজু হোৱাৰ ওপৰত।

5R ধাৰণা

☛ আমি আমাৰ পৰিৱেশ ৰক্ষাৰ বাবে 5R ৰ ধাৰণা গ্ৰহণ কৰিব পাৰো।



1. অস্বীকাৰ কৰা (Refuse)



- ইয়াৰ অর্থ হ'ল মানুহে আমাক আগবঢ়োৱা বস্তুবোৰক না কোৱা যিবোৰ আমাৰ প্রয়োজন নাই।
- আমাৰ আৰু পৰিৱেশৰ ক্ষতি কৰিব পৰা সামগ্রী কিনিবলৈ অস্বীকাৰ কৰা, প্লাষ্টিকৰ বেগ ব্যৱহাৰ হ্রাস কৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

2. হ্ৰাসকৰণ (Reduce)



- অর্থাৎ আমি কম ব্যৱহাৰ কৰা।
- অপ্রয়োজনীয় লাইট আৰু ফেন বন্ধ কৰি বিদ্যুৎ ৰাহি কৰা।
- লিক হোৱা টেপ মেৰামতি কৰি পানী সঞ্চয় কৰা।
- খাদ্য অপচয় নকৰা।

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

3. পুনঃ ব্যৱহাৰ (Reuse)

- পুনঃ ব্যৱহাৰ আচলতে পুনঃচক্রীয়কৰণতকৈও ভাল। কাৰণ পুনঃচক্রীয়কৰণত শক্তিৰ অপচয় হয়।
- 'পুনৰ ব্যৱহাৰ' কৌশলত আমি কেৱল বস্তুবোৰ বাৰে বাৰে ব্যৱহাৰ কৰো।
- ব্যৱহৃত খাম পেলাই দিয়াৰ পৰিৱৰ্তে আমি ইয়াক ওলোটা কৰি পুনৰ ব্যৱহাৰ কৰিব পাৰো।

☛ আমি যিবোৰ প্লাষ্টিকৰ বটলত বিভিন্ন খাদ্য-বস্তু যেনে জাম বা আচাৰ কিনো, সেইবোৰ পাকঘৰত বস্তু সংৰক্ষণৰ বাবে ব্যৱহাৰ কৰিব পাৰি।



समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

4. পুনৰ উদ্দেশ্য (Repurpose)



☛ যেতিয়া কোনো সামগ্ৰীক মূল উদ্দেশ্যৰ বাবে আৰু ব্যৱহাৰ কৰিব নোৱাৰি, তেতিয়া ভালদৰে চিন্তা কৰি আন কোনো উপযোগী উদ্দেশ্যত ব্যৱহাৰ কৰা।

উদাহৰণ : ফাটি যোৱা পাত্ৰ, বা ভঙা হেণ্ডেল থকা কাপ সৰু গছ-গছনি গজাবলৈ আৰু চৰাইৰ খাদ্যৰ পাত্ৰ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

5. পুনঃ চক্রীয়কৰণ (Recycle)



- প্লাষ্টিক, কাগজ, কাঁচ আৰু ধাতুৰ সামগ্ৰী সংগ্ৰহ কৰি এই সামগ্ৰীসমূহ পুনৰ ব্যৱহাৰ কৰি সতেজ প্লাষ্টিক, কাগজ, কাঁচ বা ধাতু সংশ্লেষণ বা নিষ্কাশনৰ পৰিৱৰ্তে প্ৰয়োজনীয় বস্তু তৈয়াৰ কৰক।

☛ পুনঃব্যৱহাৰ কৰিবলৈ হ'লে আমি প্ৰথমে আমাৰ আৱৰ্জনাবোৰ পৃথক কৰিব লাগিব যাতে পুনঃব্যৱহাৰ কৰিব পৰা সামগ্ৰীবোৰ আন আৱৰ্জনাবোৰৰ সৈতে পেলোৱা নহয়।



মূল্যায়ন



1 | পুনঃ ব্যৱহাৰ পুনঃচক্রীয়কৰণতকৈও উত্তম–



ক শুদ্ধ

খ অশুদ্ধ

মূল্যায়ন



2 বহনক্ষম ব্যৱস্থাপনাৰ প্ৰয়োজনৰ কাৰণ হৈছে –

ক সম্পদসমূহৰ বৰ্তমানৰ প্ৰয়োজন পূৰাই

খ ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণ

গ অৰ্থনৈতিক বিকাশ

ঘ ওপৰৰ সকলোবোৰ